কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

**Orientation Programme at Assam Jatiya Bidyalay**

**Guwahati, 17 November, 2018 :** Like the previous years, Assam Jatiya Bidyalay, Noonmati organised an orientation programme for the teachers on 16 November at its school campus. The programme began at 9 am with the welcome speech by the Principal Ghanashyam Medhi. The chief guest of the orientation programme was Mayur Bora, a faculty member at Indian Institute of Bank Management. The first session was conducted by Narendra Mohan Goswami, the academic officer of the school and he dwelt on various skills for a fruitful teaching learning process. The second session was conducted by Mayur Bora and he dwelt on amour propre of the Assamese community in the last 2000 years. He dwelt on the greatest contributition from Amrit Prabha, Madhab Kandali, Sankardev, Ramani Gabharu and King Naranarayan etc. He recalled Anandaram Dhekial Phukan, Hemachandra Baruah and others in their greatest contribution towards the Assamese language. After this the glorious journey of Assam Jatiya Bidyalay for the last 25 years has been recalled through some audio-visual methods. This day long programme was attended by all the teaching and non teaching of the school including the Rector Ranjit Narayan Deka and Dilip Kumar Dutta Choudhury, the president of the management committee of the school.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref* :

তাৰিখ :
*Date* :

## অসম জাতীয় বিদ্যালয়ত দিকবলন কাৰ্যসূচী

**নুনমাটি, গুৱাহাটী, ১৭ নৱেম্বৰ, ২০১৮** : বিগত বছৰবোৰৰ দৰে এই বছৰো নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কাৰণে এদিনীয়া দিকবলন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। পুৱা ৯ বজাৰপৰা আৰম্ভ হোৱা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ইয়াৰ পিছতে অনুষ্ঠানৰ সমল ব্যক্তি বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে সফল পাঠদান আৰু শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ মনোযোগ আকৰ্ষণ কৰিব পৰা বিভিন্ন কৌশল সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে। ইয়াৰ পিছতে বিশিষ্ট নিবন্ধকাৰ ময়ূৰ বৰাই 'অসমীয়া জাতিৰ স্বাভিমান' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ অসমীয়া জাতিৰ ২০০০ বছৰীয়া পৰিক্ৰমা আলোকপাত কৰি প্ৰাগজ্যোতিষপুৰৰ কুঁৱৰী অমৃতপ্ৰভাৰ কামৰ দৃষ্টান্ত, মাধৱ কন্দলী, শংকৰদেৱ, ৰমণী গাভৰু আৰু নৰনাৰায়ণ আদি ব্যক্তিসকলে অসমীয়া জাতিলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়ায়। তদুপৰি তেওঁ আধুনিক অসমীয়া সত্তা গঢ়ি তোলাৰ ক্ষেত্ৰত আনন্দৰাম ঢেকীয়াল ফুকন আৰু হেমচন্দ্ৰ বৰুৱা আদি ব্যক্তিসকলৰ বৰঙণিৰ বিষয়েও আলোচনা কৰে। প্ৰায় ডেৰ ঘণ্টা সময় ধৰি প্ৰদান কৰা বৰাৰ বক্তৃতাই উপস্থিত সকলোকে চিন্তাৰ খোৰাক যোগায়। ইয়াৰ পিছতে অনুষ্ঠানত উপস্থিত শিক্ষক-শিক্ষয়িত্ৰীসকলে বিদ্যালয়ৰ প্ৰতিষ্ঠা দিনটোৰ কিছু অনুষ্ঠান দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তে উপভোগ কৰে। এই দিনজোৰা কাৰ্যসূচীত বিদ্যালয়ৰ ৰেক্টৰ শ্ৰীযুত ৰঞ্জিত নাৰায়ণ ডেকা আৰু পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত দিলীপ কুমাৰ দত্ত চৌধুৰী উপস্থিত থাকে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০